NOWBOICHA COLLEGE ESTD-19.. N. LAKHIMPUR

# ২০২২-২০২৩ শিক্ষা বৰ্ষৰ স্নাতক প্ৰথম ষান্মাষিকৰ নামভৰ্তি সম্পৰ্কীয় বিশেষ জাননী

তাৰিখঃ ৩০/০৬/২০২২

১) নাওবৈচা মহাবিদ্যালয়ৰ ২০২২-২০২৩ শিক্ষা বৰ্ষৰ নামভৰ্তি সমিতিৰ সিদ্ধান্ত অনুযায়ী প্ৰথম ষান্মাষিকত মুঠ ৩০০ জন ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰা হ'ব।

২) মেধাৰ তালিকা ( Marrit list) মেধাৰ ভিত্তিত প্ৰকাশ কৰা হ'ব।

৩) আসন সংৰক্ষণৰ বাবে চৰকাৰী নিৰ্দেশনা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বিশেষভাৱে সক্ষম আৰু সহ পাঠ্যক্ৰমত (Co-curricular activities সঙ্গীত, খেল আদিকে ধৰি) বিশেষ দক্ষতা থকা ছাত্ৰ-ছাত্ৰীৰ বাবে মুঠ ৫খন আসন সংৰক্ষিত থাকিব (প্ৰমাণ পত্ৰ বাধ্যতামুলক)।

৪) কোনো চৰকাৰী কৰ্মচাৰী অভিভাৱকৰ ছাত্ৰ-ছাত্ৰীয়ে মাচুল ৰেহাই ভিত্তিক সুবিধা নাপাব।

৫) যি সকল ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ তথা অভিভাৱকৰ বাৰ্ষিক আয় ২০০০০০/- (দুই লাখ) টকাতকৈ কম(দৰিদ্ৰ সীমাৰেখাৰ তলৰ) তথা ইয়াৰ প্ৰমাণ পত্ৰ দাখিল কৰিলেহে বিনামূলীয়া নামভৰ্তিৰ সুবিধা লাভ কৰিব।

৬) বিনামূলীয়া নামভৰ্তিৰ বাবে আবেদন কৰা ছাত্ৰ-ছাত্ৰীয়ে স্থানীয় ৰাজহ চক্ৰ বিষয়া (SDC) পৰা বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব । ইয়াৰ বিকল্প হিচাপে আবেদনকাৰীয়ে নিম্নোক্ত নথি ব্যৱহাৰ কৰিব পাৰিবঃ

- আবেদনকাৰী উত্তীৰ্ণ হৈ অহা শিক্ষানুষ্ঠানৰ মুৰব্বীৰ স্বাক্ষৰ সম্বলিত বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ।
- আবেদনকাৰী অথবা তেওঁৰ পিতৃ-মাতৃৰ নটাৰী এফিডেৱিট (Notary Affidavit) যোগে তেওঁলোকৰ বাৰ্ষিক আয়ৰ ঘোষণাপত্ৰ। (এইক্ষেত্ৰত দায়িত্বশীল কৰ্তৃপক্ষৰ দ্বাৰা এবছৰৰ ভিতৰত সেই ঘোষণাৰ পুনৰীক্ষণ কৰাব লাগিব। এনে নথি অসত্য প্ৰমাণিত হ'লে আইনগত ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব।)

৭) ভুৱা প্ৰমাণ পত্ৰ দাখিল কৰা বুলি প্ৰমাণিত হ'লে নামভৰ্তি নাকচ কৰাৰ ক্ষমতা নামভৰ্তি সমিতিৰ থাকিব।

৮) নামভৰ্তিৰ সময়ত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰোতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ নম্বৰ তালিকা আৰু উত্তীৰ্ণৰ প্ৰমাণ পত্ৰৰ মূল নথি লগত আনিব লাগিব। অন্যথা নামভৰ্তি কৰা নহ'ব।

৯) চৰকাৰী নিৰ্দেশনা অনুসৰি বিনামূলীয়া নামভৰ্তিৰ সুবিধা পোৱা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে একোটিকৈ গছপুলি ৰোপন কৰাৰ ফটো মহাবিদ্যালয়ত জমা দিব লাগিব। পৰৱৰ্তী সময়ত গছৰ বৰ্দ্ধিত ৰূপৰ সহিতে ছাত্ৰ-ছাত্ৰী প্ৰমাণিক ফটো মহাবিদ্যালয়ত জমা দিলেহে নামভৰ্তি বিনামূলীয়া হ'ব। অন্যথাই তেওঁলোকে পৰৱৰ্তী ষান্মাষিক সমূহত মাচুল আদায় দিহে নামভৰ্তি কৰিব পাৰিব।

১০) নামভৰ্তিৰ বাবে নিৰ্দিষ্ট কৰি দিয়া তাৰিখত পূৰা ৯-০০ বজাৰ পৰা নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

১১) নামভৰ্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত নামভৰ্তি সমিতিৰ সিদ্ধান্তই চুড়ান্ত হ'ব।

অধ্যক্ষ

নাওবৈচা মহাবিদ্যালয়